# REGIONEL NEWS UNIT

ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 07-06-2025 **Time :** 1205 Hrs.

## *Assamese Midday Bulletin*

ৰাজ্যৰ সাম্প্ৰতিক বান পৰিস্থিতি সামান্য উন্নত হৈছে যদিও  ১৮ খন জিলাৰ ৪ লাখ ৪০ হাজাৰৰো অধিক লোক এতিয়াও বানৰ কবলত আছে। বিগত ২৪ ঘণ্টাত বানত কোনো লোকে প্ৰাণ হেৰুওৱা নাই বুলি আমাৰ সংবাদদাতাই প্ৰকাশ কৰিছে। এই বানত ৰাজ্যখনৰ এহেজাৰ ৩০০ ৰো অধিক গাঁও ক্ষতিগ্ৰস্ত হৈছে আৰু প্ৰায় এহেজাৰ ৬০০ হেক্টৰ কৃষিভূমিৰ ক্ষতি হৈছে। ৰাজ্য চৰকাৰে প্লাৱিত অঞ্চলসমূহত উদ্ধাৰ অভিযানৰ বাবে ৰাজ্যিক দুৰ্যোগ সঁহাৰি বাহিনীক নিয়োজিত কৰিছে। অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ তথ্য অনুসৰি এতিয়াও ৪০ হাজাৰতকৈ অধিক লোকে ১৫৬ টা আশ্ৰয় শিবিৰত আশ্ৰয় লৈ আছে। ৰাজ্যখনৰ বিভিন্ন অংশত পথ, ৰে'ল আৰু ফেৰী সেৱা ব্যাহত হৈ আছে। ইপিনে ভাৰতীয় বতৰ বিজ্ঞান বিভাগে ৰাজ্যখনৰ কাচাৰ, হাইলাকান্দি, শিৱসাগৰ, তিনিচুকীয়া, ডিব্ৰুগড় আৰু চৰাইদেউ জিলাত পাতলীয়াৰ পৰা মজলীয়া ধৰণৰ বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি আগলী বতৰা দিছে।

০০০০

ভাৰতীয় প্ৰযুক্তি বিদ্যা প্ৰতিষ্ঠান গুৱাহাটীৰ এটা গৱেষক দলে কোভিড-১৯ এ সৃষ্টি কৰা ভাইৰাছ ছাৰ্ছ-ক'ভি-টুৰ উপস্থিতি আৰু পৰিমাণ জুখিব পৰা এটা নতুন পদ্ধতি উদ্ভাৱন কৰিছে।

আই আই টি, গুৱাহাটীৰ গৱেষক ড০ হিংমাশু যাদব আৰু দীপা মেহতাৰ সৈতে ছিভিল ইঞ্জিনীয়াৰিং বিভাগৰ অধ্যাপক টি ভি ভাৰত আৰু জৈৱ বিজ্ঞান তথা জৈব ইঞ্জিনীয়াৰিং বিভাগৰ অধ্যাপক শচীন কুমাৰে এই পদ্ধতি উদ্ভাৱন কৰিছে।

এই পদ্ধতিৰ জৰিয়তে কোভিডৰ ভাইৰাছ অতি সহজ আৰু সুলভ প্ৰক্ৰিয়াৰে ধৰা পেলাব পৰা যাব। বৰ্তমান ব্যৱহৃত জটিল আৰু ব্যায়বহুল পদ্ধতিসমূহৰ তুলনাত এই পদ্ধতি কম ব্যায়সাধ্য হ'ব বুলি আশা কৰা হৈছে।

০০০০

দেশৰ বিভিন্ন প্ৰান্তৰ লগতে ৰাজ্যতো আজি ইছলাম ধৰ্মাৱলম্বী লোকসকলৰ পবিত্ৰ ঈদ-উজ্-জোহা উদযাপন কৰা হৈছে। আল্লাহৰ নিৰ্দেশত হজৰত ইব্ৰাহিমে তেওঁৰ একমাত্ৰ পুত্ৰক বলিদান দিয়া কাৰ্যৰ সোঁৱৰণত এই ঈদ-উজ-জোহা পালন কৰা হয়। এই উৎসৱক ঈদ-অল-আধা বা ঈদ-উল-আজহা নামেৰেও জনা যায়। ঈদ উপলক্ষে  ৰাজ্যৰ ইছলাম ধৰ্মাৱলম্বী লোকসকলৰ মাজত ব্যাপক উৎসাহ-উদ্দীপনা দেখা গৈছে। সজাই পৰাই তোলা ঈদগাহসমূহত পুৱা ঈদৰ সমূহীয়া নামাজত সকলোৰে অংশগ্ৰহণ কৰে। ঈদ উপলক্ষে গুৱাহাটী মহানগৰতো ঈদগাহ আৰু মচজিদসমূহ সজাই পৰাই তোলা হৈছে। মহানগৰতো পুৱা ঈদৰ নামাজ অনুষ্ঠিত হয়।

দক্ষিণ শালমৰা-মানকাচৰ, শোণিতপুৰ, চিৰাং, বৰপেটা, নগাঁও, ধুবুৰী আদি জিলাসমূহতো ঈদৰ সমূহীয়া নামাজ অনুষ্ঠিত হয়।

মুখ্যমন্ত্ৰী ডº হিমন্ত বিশ্ব শৰ্মাই পৱিত্ৰ ঈদ-উজ্-জোহা উপলক্ষে ইছলামধৰ্মী লোকসকলক শুভেচ্ছা জ্ঞাপন কৰিছে।

০০০০০০

গুৱাহাটী মহানগৰৰ মাজেৰে কোনো দল-সংগঠনে সমদল, শোভাযাত্ৰা উলিয়াব নোৱাৰিব। গুৱাহাটী আৰক্ষী আয়ুক্ত কাৰ্যালয়ে তৎকালে কাৰ্যকৰী হোৱাকৈ এই নিৰ্দেশনা জাৰি কৰিছে। প্ৰশাসনে অনিৰ্দিষ্ট কালৰ বাবে বলৱৎ কৰা এই নিষেধাজ্ঞা অমান্য কৰিলে জৰিমণা বিহাৰো ব্যৱস্থা কৰিছে। আৰক্ষী সঞ্চালকালয়ৰ উপ-আৰক্ষী আয়ুক্ত ইমদাদ আলীয়ে এই সন্দৰ্ভত কয়, যে মহানগৰৰ তীব্ৰ যান-জঁট তথা ঠাই বিশেষে পথ-পদপথৰ বিভিন্ন নিৰ্মাণকাৰ্য চলি থকাৰ বাবে এই নিৰ্দেশনা জাৰি কৰা হৈছে।

০০০০০

ৰাজ্যৰ বিভিন্ন কেন্দ্ৰত কাইলৈ অসম লোকসেৱা আয়োগৰ ২০২৪ বৰ্ষৰ সংযুক্ত প্ৰতিযোগিতামূলক পৰীক্ষাৰ প্ৰাৰম্ভিক পৰীক্ষা অনুষ্ঠিত হ'ব। ইয়াৰ বাবে আয়োগে কেতবোৰ নিষেধাজ্ঞা আৰোপ কৰিছে। এই অনুসৰি পৰীক্ষা কেন্দ্ৰসমূহৰ ১০০ মিটাৰ ব্যাসাৰ্ধৰ ভিতৰত অকৰ্তৃত্বশীল ব্যক্তিৰ প্ৰৱেশত বাধা আৰোপ কৰা হৈছে। পৰীক্ষাৰ্থীসকলে বৈধ প্ৰৱেশ পত্ৰ আৰু ফটো পৰিচয় পত্ৰ লৈ যাব লাগিব। কেন্দ্ৰৰ ভিতৰলৈ কিতাপ, কেলকুলেটৰ, ম'বাইল ফোন, বৈদ্যুতিক সামগ্ৰী, গাড়ীৰ ছাবি আৰু অন্যান্য আপত্তিজনক সা-সামগ্ৰী কঢ়িওৱাত বাধা আৰোপ কৰা হৈছে। এই নিৰ্দেশ ভংগকাৰীসকলক ভাৰতীয় ন্যায় সংহিতাৰ ২২৩ ধাৰাৰ অধীনত দণ্ড বিহা হ'ব।

০০০০

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে ২০২৫-২৬শিক্ষা বৰ্ষৰ বাবে নৱম শ্ৰেণীৰ পঞ্জীয়নৰ সময়সীমা দুদিন বৃদ্ধি কৰিছে। পৰিষদৰ সচিবে জাৰি কৰা নিৰ্দেশনা অনুসৰি অহা ৯ আৰু ১০ জুনত নৱম শ্ৰেণীৰ শিক্ষাৰ্থীৰ পঞ্জীয়নৰ বাবে প'ৰ্টেল মুকলি থাকিব। এই সময়ছোৱাত সকলো বিদ্যালয়কে পঞ্জীয়ন প্ৰক্ৰিয়া সম্পূৰ্ণ কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। ইয়াৰ পাছত পঞ্জীয়নৰ সময়সীমা বৃদ্ধি কৰা নহ'ব আৰু অফ লাইনত কোনো আবেদন গ্ৰহণ কৰা নহ'ব বুলি নিৰ্দেশনাটোৰ জৰিয়তে সচিবে প্ৰকাশ কৰিছে।

০০০০

বিশ্বনাথত তদাৰকী কোষে অভিযান চলাই কালি জিলা আবকাৰী বিভাগৰ উপ অধীক্ষক মৰ্মেশ্বৰ দাসক উৎকোচ লোৱাৰ সময়তে হাতে-লোটে ধৰা পেলায়। এই ক্ষেত্ৰত সহযোগ কৰাৰ বাবে একেটা কাৰ্যালয়ৰে কনিষ্ঠবল অভিজিত বৰুৱাকো আটক কৰে। এগৰাকী ব্যক্তিৰ পত্নীৰ নামত এখন ৱাইন বাৰৰ অনুমতি লাভ কৰাৰ পাছতে বাৰ্খন খোলাৰ আগতে উপ অধীক্ষকগৰাকীয়ে এক লাখ টকা উৎকোচ বিচাৰিছিল। কালি এই উৎকোচৰ ধন লোৱাৰ সময়তে উপ অধীক্ষকগৰাকী ধৰা পৰে।

০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগৰ আজি নিশা ৮ বাজি ২ মিনিটৰ দৃষ্টিপাত অনুষ্ঠানত আকাশবাণীৰ বাতৰি কক্ষৰ বাহিৰতো এটা নিজস্ব পৰিচয় দাঙি ধৰিবলৈ সমৰ্থ হোৱা কেইগৰাকীমান বাতৰি পঢ়োতাৰ সৈতে অন্তৰংগ আলাপ প্ৰচাৰ কৰা হ'ব। আকাশবাণী বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ সৈতে এই অনুষ্ঠানত অন্তৰংগ আলাপত ভাগ ল'ব আকাশবাণী গুৱাহাটীৰ তিনিগৰাকী বাতৰি পৰিৱেশকে।

০০০০০০০